# মোৰ জীৱনৰ কথা



**৬।১।২০০১।** ৬-৩৫। 'শব্দজ্যোতি'ৰ চিত্ৰনাট্যত চকু ফুৰালো। টাইপ কৰিবলৈ কলাক্ষেত্ৰলৈ পঠালো। পেপাৰ কাটিং কিছুমান (মোৰ বিষয়ে খবৰ থকা) ছিজিল লগালো। প্ৰদীপ বৰুৱাই ফোন কৰি ক'লে—উৰুকাৰ আগতে এই সংখ্যা প্ৰান্তিকৰ কাম শেষ কৰিব লাগিব; গতিকে 'শেষপৃষ্ঠা'টো সোনকালে লাগিব।

পাছবেলা কলাক্ষেত্ৰলৈ। শোভা ব্ৰহ্ম, বেণু মিশ্ৰ, ননী বৰপূজাৰী, নীল পৱন বৰুৱা, ধ্ৰুৱ ডেকা, পুলক গগৈ, গৌৰী বৰ্মণ আৰু চম্পক বৰবৰাই কালিৰে পৰা কলাক্ষেত্ৰৰ ললিত কলা ভৱনত ছবি আঁকিছে। আজি ছবি অঁকা প্ৰায় শেষ হৈছে। মুখ্যমন্ত্ৰী আহিল। ছবিৰ মাজতে এখন আলোচনা-সভা। চিত্ৰকৰসকলে কিছু অভাৱ-অভিযোগৰ কথা ক'লে; আৰু ভালেমান পৰামৰ্শ আগবঢ়ালে। গৌৰী বৰ্মণে ছবি সম্পৰ্কীয় কিতাপ প্ৰকাশ কৰাৰ কথা ক'লে। সেইটো পৰামৰ্শৰ অলপ সালসলনি ঘটাই আমি এক ধৰণৰ পুস্তিকা ছপাব পাৰোঁ বুলি মোৰ ধাৰণা হ'ল। অফিছৰ কাম। বৰ জাৰ পৰিছে। ৫-৪৫—ঘৰলৈ।

**৭।১।২০০১।** ৬-২০। শেষপৃষ্ঠা লিখিবলৈ আৰম্ভ কৰিলো। কলাক্ষেত্ৰৰ লগত ফোনেৰে যোগাযোগ ৰাখিলো। মোৰ আজি তালৈ যোৱাৰ জৰুৰী কাম নাই। কালি মোৰ ভাগৰ কাম আগবঢ়াই থৈ আহিছোঁ। দুপৰীয়া ড° প্ৰভাকৰ দাস আৰু মনালি আহিল। প্ৰভাকৰক এখন ছাৰ্টিফিকেট লাগে। পাছবেলা ছাৰ্টিফিকেটখন কমপিউটাৰত ছপা কৰি থলো। সন্ধিয়া বিশ্বদীপ বৰুৱাৰ লগত শান্তি-সাধনা আশ্ৰমৰ গুৰি ধৰোঁতা শ্ৰী হেম ভাই আহিল। তেখেতসকলে এটা নামঘৰ সজাৰ আঁচনি কৰিছে। কেইদিনমানৰ আগতে বিশ্বদীপ বৰুৱাই মোক নক্সাকেইখনমান চাবলৈ দি গৈছিল। আজি সেই বিষয়টোৰ আলোচনা হ'ল। মই ক'লো—হয় নামঘৰটোৰ তিনিফাল মুকলি হ'ব লাগে, নহয় ভাওনা-সবাহ আদি পাতিবলৈ ওচৰত সুকীয়া মুকলি ঠাই ৰাখিব লাগে। হেমভায়ে ক'লে—ওচৰত সাংস্কৃতিক কাৰ্যসূচীৰ কাৰণে ঠাই আছে; তাৰ বাবে অন্য এখন আঁচনিও কৰা হ'ব।

হেমভায়ে তেখেতে লিখা দুখন কিতাপ দি গ'ল। এখনৰ নাম 'ফুৰো হুয়া আমি আনন্দিত', ইখনৰ নাম 'স্পন্দিত হৃদয়'। এইখন কবিতাৰ পুথি। ৰাতি সেইখনৰ কেইটামান কবিতা পঢ়িলোঁ। (হেম ভাইৰ লগত আজি মোৰ প্ৰথম দেখাদেখি।)

**৮।১।২০০১।** ৬-৩০। পুৱা ৭-১৫ বজাতে নুৰুলে আমাৰ গাড়ীখন গোপাল জালানৰ ঘৰলৈ লৈ গ'ল। এই গাড়ীখন আমাৰ ঘৰলৈ উভতি নাহিবও পাৰে। গাড়ীখন ৮৮২২ কি. মি. চলিছিল। ১৯৯৯ চনৰ ২৭ জানুৱাৰিৰ দিনা কিনিছিলো। গুৱাহাটীৰ ৰাস্তাত, পিছৰ ছিটত বহিলে মই বৰ জোকাৰণি খাওঁ। সেই জোকাৰণি মোৰ পিঠি আৰু কঁকালৰ কাৰণে অপকাৰী। বিভিন্নজনৰ পৰামৰ্শ মানি লৈ এই গাড়ীখন গোপাল জালানক দি Zen গাড়ী এখন লোৱাৰ ব্যৱস্থা কৰিছে—প্ৰীতিয়ে। শেষপৃষ্ঠা লিখা শেষ কৰিলো। 'সম্পাদকৰ কোঠালিত'-ও লিখিলো। পঠালো। 'স্বৰ্ণজয়ন্তী' নাটকৰ প্ৰুফ চালো। ২-১০ গোপালৰ লগত নতুন গাড়ী চাবলৈ গ'লো। আঠগাঁৱৰ দোকান এখনত গাড়ীখন চালো। Fly Over সাজি থকাৰ কাৰণে সেই ঠাইডোখৰ বোকা-পানী লোহা-লক্কৰৰে ভৰি পৰিছে। গাড়ীখন প্ৰীতিৰ পচন হ'ল। তাৰ পৰা আহি কলাক্ষেত্ৰলৈ। তাত শাস্ত্ৰীয় নৃত্যৰ অনুষ্ঠান। মুকলিত। বৰ জাৰ। ৬-৪৫ ঘৰলৈ। বিজু ফুকন, তেওঁৰ পৰিবাৰ, তপোব্ৰত বৰুৱা আৰু মৃদুলা বৰুৱা আহিল,—মোক অভিনন্দন জনাবলৈ। (শংকৰদেৱৰ বটা পোৱা কাৰণে।) ভাল পালো।

**৯।১।২০০১।** ৬-১৫। জিন্টিৰ e-mail পালো। তাই প্ৰীতিৰ তেজৰ পৰীক্ষা কেইটামান কৰিবলৈ কৈছে। নতুন গাড়ীখনৰ registration, insurance সম্পৰ্কে টেলিফোনেৰে খনীন কোঁৱৰ আৰু কৰুণা চৌধুৰীৰ লগত যোগাযোগ কৰিলো। চৌধুৰীৰ ঘৰৰ ওচৰৰ বিষয়া শ্ৰী গোস্বামীৰ লগতো কথা পাতিলো। ১০-৩০— D.T.O অফিছলৈ গ'লো। শ্ৰী হৰেন দাস নামৰ বিষয়াজনে মোৰ পচনৰ নম্বৰ এটা দিলে—AS-25B-8831. এক বজাত কলাক্ষেত্ৰলৈ। অসমৰ কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰ আৰু নৃত্য-গীত জনা লোক আহিছে। দুই নম্বৰ মুকলি মঞ্চত (সমুখৰ) তিনিদিনীয়া সত্ৰীয়া সাংস্কৃতিক উৎসৱ উদ্বোধনী সভা। সভাত মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী, ড° অৰুণ শৰ্মা, সুধাংশু শেখৰ দাস আদি উপস্থিত আছে। সমবেত সুধীবৃন্দ, গীত-মাত, বক্তৃতা আদি প্ৰায় সকলো ফালৰ পৰাই সভাখন ভাল হৈছিল। মোৰ বক্তব্যৰ সাৰাংশ ঃ কলাক্ষেত্ৰই বৌদ্ধিক আৰু সাংস্কৃতিক চিন্তা-চৰ্চাৰ বাবে সকলো ফালৰ খিৰিকি খোলা হৈ থকা এটা ঘৰৰ ভূমিকা পালন কৰিব। সমগ্ৰ পৃথিৱীৰ লগত অসমীয়া জাতিৰ বৌদ্ধিক আৰু সাংস্কৃতিক সংযোগৰ বাবে মঞ্চ এখনৰ নিচিনা হৈ কাম কৰিব। আমি সত্ৰীয়া সংস্কৃতিৰ বাবে শুদ্ধ তথ্য-পাতি আৰু বৰ্ণনা থকা গ্ৰন্থ কেইখনমান প্ৰকাশ কৰাৰ কাম কৰিব লাগিব। আমিহে সত্ৰীয়া নৃত্য-গীতক স্বীকৃতি দিয়াৰ আচল মালিক। সন্ধিয়া গোপালে নতুন গাড়ীখন লৈ আহিল। প্ৰীতি আৰু মই এপাক উঠি চালো।

**১০।১।২০০১।** ৫-১৫।(৫-১৫)। ৰাতি তিনিমান বজাতে টোপনি ভাগিল। তাৰ পাছত ছেগা-চোৰোকাকৈ টোপনি আহি থাকিল; কিন্তু পাঁচ বজাৰ পৰা প্ৰীতিৰ লগত কথা পাতিবলৈ আৰম্ভ কৰিলো। প্ৰীতিয়ে চাহ কৰি দিলে; খালো। যোৱা ৰাতি ৰশ্মিয়ে ফোন কৰিছিলো। তাই ফোনৰ ওচৰত নাছিল। Message থৈছিলো। তাই আজি পুৱা ফোন কৰিলে। স্বৰ্ণ জয়ন্তীৰ প্ৰুফ চালো। আজি গাড়ীখনৰ registration হোৱাৰ কথা আছিল; বিক্ৰি কৰা দোকানখনৰ পৰা ৰছিদ নোপোৱাৰ কাৰণে কামটো নহ'ল। আবেলি ৩-৩০ বজাত কলাক্ষেত্ৰলৈ। বৰপেটা সত্ৰ, বেঙেনা আটি সত্ৰ, নিকামুল সত্ৰ আদিৰ লোকে পৰিবেশন কৰা অনুষ্ঠানৰ কিছু অংশ চালো। বৰ জাৰ। ৬-৩০ মান বজাত ঘৰলৈ আহিলো। গাড়ীখনৰ কাগজ-পাতিখিনি গোপাল জালানে দি গ'ল। ৰূপটি (শান্তনু শইকীয়া) পুৱা আৰু গধূলি দুবাৰো আহিছিল, লগ নাপালো। অভিনেতা দীনেশ দাসে ফোন কৰি ২২ তাৰিখৰ সভা এখনলৈ যোৱাৰ কথা সুধিছিল। অসুবিধা হ'ব বুলি বুজাই ক'লো। আগবেলা ডিব্ৰুগড়ৰ মামণি আৰু তেওঁৰ জীয়েক আহিছিল।

(আগলৈ)